**অসম বিধানসভা**

তৰাচিহ্নিত প্ৰশ্ন নং - ১৮৪

উত্তৰ দিয়াৰ তাৰিখ : ২৩-০৭-২০২৬

বিষয় : মহাপুৰুষীয়া বৈষ্ণৱ ঐতিহ্যৰ সংৰক্ষণ আৰু গৱেষণা সম্পৰ্কে।

বিধায়ক : শ্ৰী দীপক কুমাৰ দাস :

মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) দেশ-বিদেশৰ গৱেষক, শিক্ষাবিদ আৰু ছাত্ৰ-ছাত্ৰীসকলক সত্ৰীয়া সংস্কৃতি, মহাপুৰুষীয়া বৈষ্ণৱ ঐতিহ্য, সত্ৰ-থান আৰু নামঘৰসমূহৰ ওপৰত গৱেষণাৰ প্ৰতি উৎসাহিত কৰাৰ উদ্দেশ্যে চৰকাৰে কোনো বিশেষ গৱেষণা বৃত্তি, গৱেষণা আঁচনি, আন্ত:ৰাষ্ট্ৰীয় সহযোগিতা বা প্ৰচাৰমূলক কাৰ্যসূচী গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, তাৰ সবিশেষ জনাব।

(খ) ঐতিহাসিক সত্ৰ নগৰী বৰপেটাত সত্ৰীয়া সংস্কৃতি, বৈষ্ণৱ-আধুনিক সাহিত্য, সংগীত, সত্ৰীয়া নৃত্য, ভাওনা আৰু মহাপুৰুষীয়া বৈষ্ণৱ দৰ্শনৰ সংৰক্ষণ, অধ্যয়ন আৰু গৱেষণাৰ বাবে এক বিশেষ গৱেষণা আৰু অধ্যয়ন কেন্দ্ৰ স্থাপনৰ কোনো পৰিকল্পনা চৰকাৰৰ আছে নেকি ? যদি আছে, তাৰ বৰ্তমান স্থিতি আৰু সম্ভাব্য পৰিকল্পনা জনাব।

-উত্তৰ-

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৰা মাননীয় মন্ত্ৰী মহোদয় শ্ৰীযুত বিমল বড়াদেৱৰ হৈ মাননীয় মন্ত্ৰী মহোদয় শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিব-

(ক)মহাপুৰুষীয়া বৈষ্ণৱ পৰম্পৰাৰ অধ্যয়নক প্ৰতিষ্ঠানিক ৰূপ দিয়াৰ ক্ষেত্ৰত অসম চৰকাৰে উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে।

প্ৰধান পদক্ষেপটো হৈছে দেশৰ তিনিখন আগশাৰীৰ বিশ্ববিদ্যালয়ত— বিশ্বভাৰতী (পশ্চিমবংগ), পঞ্জাৱ বিশ্ববিদ্যালয় (চণ্ডীগড়) আৰু জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয় (নতুন দিল্লী)— শ্ৰীমন্ত শংকৰদেৱ আসন স্থাপন কৰা হৈছে।

জে.এন.ইউ.-এ এই প্ৰতিশ্ৰুতি অধিক প্ৰসাৰিত কৰি তেওঁলোকৰ আসনখনক ‘শ্ৰীমন্ত শংকৰদেৱ স্পেচিয়েল চেন্টাৰ অৱ ইণ্ডিক ষ্টাডিজ’লৈ উন্নীত কৰিছে। এই কেন্দ্ৰটো এতিয়া বহুমুখী গৱেষণা,

নথিপত্ৰ প্ৰস্তুতকৰণ আৰু শ্ৰীমন্ত শংকৰদেৱ তথা শ্ৰীশ্ৰী মাধৱদেৱৰ ৰচনাৱলী বিভিন্ন ভাষালৈ অনুবাদ কৰাৰ কামত উৎসৰ্গিত।

এই কেন্দ্ৰীয় আসনসমূহৰ উপৰিও, স্বতন্ত্ৰ বিশ্ববিদ্যালয়সমূহেও এই ঐতিহ্যক তেওঁলোকৰ শৈক্ষিক কাঠামোৰ ভিতৰত অন্তৰ্ভুক্ত কৰিছে:

বিশ্বভাৰতীয়ে ইয়াৰ এন.ই.পি. ২০২০ পাঠ্যক্ৰমত নৱ-বৈষ্ণৱ অধ্যয়ন অন্তৰ্ভুক্ত কৰিছে।

অসমৰ ভিতৰৰ প্ৰতিষ্ঠানসমূহৰ অৱদানো উল্লেখনীয়:

- **নগাঁও বিশ্ববিদ্যালয়ে** বৈষ্ণৱ ধৰ্মীয় সামগ্ৰীৰ সংগ্ৰহালয়, সত্ৰীয়া নৃত্যৰ কৰ্মশালা আৰু 'শংকৰদেৱ আৰু তেওঁৰ সাহিত্য' শীৰ্ষক এটা চাৰ্টিফিকেট পাঠ্যক্ৰমৰ জৰিয়তে এই ঐতিহ্য প্ৰসাৰ কৰি আছে।
- **মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ে** তেওঁলোকৰ পৰিবেশ্য কলা পাঠ্যক্ৰমত সত্ৰীয়া আৰু অংকীয়া ভাওনাৰ শিক্ষা অন্তৰ্ভুক্ত কৰিছে আৰু 'শ্ৰী শ্ৰী পীতাম্বৰ দেৱগোস্বামী সত্ৰ অধ্যয়ন আসন' প্ৰতিষ্ঠাৰ প্ৰস্তাৱ আগবঢ়াইছে।
- **কে.কে.এইচ.এছ.অ.ইউ (KKHSOU)-এ** তেওঁলোকৰ স্নাতক পাঠ্যক্ৰমত অসমীয়া সংস্কৃতি আৰু বৈষ্ণৱ আন্দোলন সম্পৰ্কীয় পাঠ অন্তৰ্ভুক্ত কৰিছে।
- **নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ে** 'ভাৰতীয় উপমহাদেশৰ ভক্তি সাহিত্য' বিষয়ক এক আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰ আয়োজন কৰি তিনিখন শৈক্ষিক গ্ৰন্থ প্ৰকাশ কৰিছে।
- **বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ** অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলে স্নাতকোত্তৰ পাঠ্যক্ৰমৰ লগত সংগতি ৰাখি ২০১৪ বৰ্ষৰ পৰা পাঠ-সমীক্ষাভিত্তিক সাঁচিপাত জৰীপ আৰু প্ৰকল্প প্ৰস্তুত কৰণ আৰু প্ৰত্যৰ্পণ সম্পৰ্কীয় গৱেষণাভিত্তিক কাৰ্যক্ৰম কৰি আহিছে। এই সম্পৰ্কীয় সম্প্ৰসাৰণ কাৰ্যসূচীৰ বাবে ইতিমধ্যে বিষ্ণুপুৰ সত্ৰ, বঙাইগাঁও, ঘৰচীয়া সত্ৰ বঙাইগাঁও; ৰামৰাই কুটী সত্ৰ, সত্ৰশাল; গৰখীয়া থান, সৰভোগ, দলগোমা মহাপুৰুষীয়া সত্ৰ, গোৱালপাৰা; কমলাবাৰী সত্ৰ, মাজুলী; সুন্দৰীদিয়া সত্ৰ, শ্ৰীশ্ৰী গোপালদেৱ আতা সত্ৰ আদিলৈ যোৱা হৈছে। বৰ্তমান অসমীয়া বিভাগৰ অধ্যাপক অধ্যাপিকা তথা গৱেষক সকলেও সত্ৰীয়া সংস্কৃতিৰ লগত সংগতি ৰাখি বিভিন্ন গৱেষণাপত্ৰ প্ৰস্তুতকৰণ আৰু গৱেষণা কাৰ্যৰ লগত সংযুক্ত হৈ আছে।

(খ) সাংস্কৃতিক পৰিক্ৰমা বিভাগে সত্ৰীয়া সংস্কৃতি, বৈষ্ণৱ-আধুনিক সাহিত্য, সংগীত, সত্ৰীয়া নৃত্য, ভাওনা আৰু মহাপুৰুষীয়া বৈষ্ণৱ দৰ্শনৰ সংৰক্ষণৰ বাবে আপ্ৰাণ চেষ্টা চলাই গৈ আছে আৰু ভৱিষ্যতেও, এই প্ৰচেষ্টা অব্যাহত ৰাখিব।

ইয়াত উল্লেখনীয় যে ২০২৩ চনৰ ছেপ্টেম্বৰ মাহত শ্ৰীশ্ৰীবৰদোৱা থান ভ্ৰমণৰ সময়ত অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাদেৱে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই তাঁৰাৰ জীৱন পৰিক্ৰমা সময়ছোৱাত অসমৰ বিভিন্ন প্ৰান্তত ভ্ৰমণ কৰা বা এৰাতি হ'লেও অতিবাহিত কৰা স্থানসমূহ সামৰি সেই-সেই স্থানৰ আন্তঃগাথনি উন্নত কৰা বাবে ঘোষণা কৰে। এনেধৰণৰ পদক্ষেপৰ জৰিয়তে এই আধ্যাত্মিক পৰিক্ৰমাৰ অন্তৰ্গত স্থানসমূহলৈ যাবলগীয়া বাপ-বান্ধৱ, ভকত বৈষ্ণৱ আৰু অন্যান্য দৰ্শনাৰ্থীসকলে যাতে উপযুক্ত সা-সুবিধা লাভ কৰিবলৈ সক্ষম হয় এই উদ্দেশ্য সাৰোগত কৰি আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ আগ্ৰহ আৰু ইচ্ছানুসৰি গুৰুজনাৰ আধ্যাত্মিক পৰিক্ৰমা সম্পৰ্কত কিছুসংখ্যক বিশেষজ্ঞ ব্যক্তিৰ সহযোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজে প্ৰাৰম্ভিক কাৰ্যব্যৱস্থা গ্ৰহণ কৰে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ লগতে এক অধিসূচনাযোগে গুৰুজনাই তাঁৰাই জীৱন কালত পদধূলা পেলোৱা স্থানসমূহ নিৰ্ধাৰণ কৰা বাবে এখন বিশেষজ্ঞ সমিতি গঠন কৰে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ প্ৰচেষ্টাত অসমৰ বিভিন্ন বৈষ্ণৱ ধৰ্মানুষ্ঠান আৰু ব্যক্তিবিশেষৰ পৰা সংগ্ৰহ কৰা তথ্যৰ ভিত্তিত এক বিস্তৃত তথ্যসম্বলিত তালিকা প্ৰস্তুত কৰি বিশেষজ্ঞ সমিতিৰ বৈঠকত উপস্থাপন কৰা হয়। বিশেষজ্ঞ সমিটিৰ কেইবালানি বৈঠকৰ অন্তত গুৰুজনাই তাঁৰাৰ জীৱন কালত পদধূলা পেলোৱা পূব ভাৰত: অসম-কামৰূপ-বেহাৰ ৰাজ্য সামৰি সংগৃহীত তথ্যৰ আধাৰত মূল্যাংকন কৰি মুঠ ২১ টি স্থান নিৰ্ধাৰণ কৰে। স্থানসমূহ হ'ল - ১। বৰদোৱা, ২। আলিপুখুৰী, ৩। শিঙৰি, ৪। বৌতা, ৫। গাংমৌ, ৬। ঘিলাধাৰী, ৭। ভলুকাগুৰি (কোমোৰাকটা, চাঙ্গিনী), ৮। মলোৱাল (গজলাসুঁতিৰ সমীপত আঁহতগুৰি মৌজা), ৯। ধুৱাহাট-বেলগুৰি (মাজুলী), ১০। কাপলা/কাপলাবড়ী (সৰ্থেবাৰীৰ সমীপত), ১১। চুণপোৰা, ১২। গণককুছি, ১৩। কুমাৰকুছি, ১৪। পাটবাউসী, ১৫। তাঁতিকুছি (বৰপেটা সত্ৰ), ১৬। মধুপুৰ, ১৭। কোঁচ বেহাৰ (মহাৰাজ নৰনাৰায়ণৰ ৰাজসভা) ১৮। ৰামৰায় কুঠি সত্ৰ (সত্ৰশাল), ১৯। চিলাৰায় গৃহ (ফুলবাৰী), ২০। ভেলা আৰু ২১। কাকতকুটা।

উল্লেখিত স্থানসমূহৰ আন্তঃগাথনি নিৰ্মাণ অথবা উন্নয়নৰ বাবে প্ৰথম পৰ্যায়ত বৰপেটা জিলাস্থিত চুণপোৰা সত্ৰ, কুমাৰকুছি সত্ৰ, কাপলা আৰু শ্ৰীশ্ৰীপাটবাউসী থান আৰু শ্ৰীমন্ত শংকৰদেৱ সত্ৰক সামৰি লৈ উক্ত কাৰ্য অসম চৰকাৰৰ লোক নিৰ্মাণ (গৃহ) বিভাগৰ দ্বাৰা কাৰ্যন্বিত হৈ আছে। অসম চৰকাৰৰ লোক নিৰ্মাণ (গৃহ) বিভাগে শ্ৰীশ্ৰীপাটবাউসী থান আৰু শ্ৰীমন্ত শংকৰদেৱ সত্ৰৰ বাবে মুঠ ১০,২২,৫৫,৭২৬/- টকাৰ নিবিদা মূল্য ধাৰ্য্য কৰি ইতিমধ্যে জুলাই, ২০২৬ মাহলৈ ৯৮

শতাংশ কামৰ অগ্ৰগতি লাভ কৰিছে। সেইদৰে চুণপোৰা সত্ৰৰ বাবদ ৬,৭১,৭১,৮৫০/- টকাৰ নিবিদা মূল্য আৰু বৰ্তমানলৈ ৯৬ শতাংশ কামৰ অগ্ৰগতি, কুমাৰকুছি সত্ৰৰ বাবদ নিবিদা মূল্য ৪,০৪,৫৬,০৯৬/- টকা আৰু কামৰ অগ্ৰগতি ৯৬ শতাংশ আৰু কাপলাৰ বাবদ নিবিদা মূল্য ৩,৫৪,৪২,৭২৬/- আৰু কামৰ অগ্ৰগতি ৯৭ শতাংশ।

ইয়াৰ উপৰিও পশ্চিমবংগৰ কোচবিহাৰ জিলাৰ শ্ৰী শ্ৰী মধুপুৰ সত্ৰৰ উন্নয়নৰ বাবে প্ৰায় ২২.০০ কোটি টকাৰ আনুমানিক ব্যয়ৰে লোক নিৰ্মাণ বিভাগে (PWD) বিশদ প্ৰকল্প প্ৰতিবেদন (DPR) প্ৰস্তুত কৰাৰ কাম চলাই আছে। শ্ৰী শ্ৰী মধুপুৰ সত্ৰক ৰাষ্ট্ৰীয় সাংস্কৃতিক ঐতিহ্য ক্ষেত্ৰ (National Cultural Heritage Site) হিচাপে ঘোষণা কৰাৰ বাবেও অসম চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

অসম চৰকাৰৰ লোকনিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ অধীনত নগাঁও–বটদ্ৰৱা, ৰহা (অনুসূচিত জাতি), ধিং, ৰূপহীহাট আৰু চামগুৰি আঞ্চলিক ভৱন সংমণ্ডল, নগাঁওৰ জৰিয়তে বটদ্ৰৱা থানক এক উন্নত সাংস্কৃতিক আৰু পৰ্যটনস্থলী হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে পৰ্যায়ক্ৰমে বিভিন্ন উন্নয়নমূলক আঁচনি ৰূপায়ণ কৰা হৈছে। এই প্ৰকল্পৰ জৰিয়তে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানত আধুনিক পৰ্যটন সুবিধা, সাংস্কৃতিক আন্তঃগাঁথনি আৰু দৰ্শনাৰ্থীৰ বাবে প্ৰয়োজনীয় সা-সুবিধা সৃষ্টি কৰি ইয়াক এক আকৰ্ষণীয় ধৰ্মীয় আৰু সাংস্কৃতিক পৰ্যটন কেন্দ্ৰ হিচাপে বিকশিত কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে।

প্ৰথম পৰ্যায় (Phase-I)

প্ৰথম পৰ্যায়ৰ কামৰ বাবে AA/PWB-2024-25(I), নং–১৯৮৩, তাৰিখ ২৯ মে' ২০২৪ অনুসৰি প্ৰশাসনিক অনুমোদন প্ৰদান কৰা হয়। এই পৰ্যায়ৰ অনুমোদিত ব্যয় আছিল ₹৫,০০০.০০ লাখ।

এই পৰ্যায়ৰ সকলো নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে। বৰ্তমানলৈকে ১০০ শতাংশ ভৌতিক অগ্ৰগতি আৰু ৯৯.৯৫ শতাংশ বিত্তীয় অগ্ৰগতি সাধিত হৈছে। মুঠ ₹৪,৯৯৭.৫৪ লাখ ব্যয় কৰা হৈছে। কাম সম্পূৰ্ণ হোৱাৰ পিছত সংশ্লিষ্ট কৰ্তৃপক্ষক হস্তান্তৰৰ প্ৰক্ৰিয়া অব্যাহত আছে।

দ্বিতীয় পৰ্যায় (Phase-II)

দ্বিতীয় পৰ্যায়ৰ বাবে AA/PWB-2024-25(I), নং–১৯৮২, তাৰিখ ১৩ মে' ২০২৪ অনুসৰি ₹১০,৮৩২.৯২ লাখ ৰ প্ৰশাসনিক অনুমোদন প্ৰদান কৰা হয়।

এই পৰ্যায়ত বৰ্তমানলৈকে ৯৯.০৫ শতাংশ ভৌতিক অগ্ৰগতি আৰু ৯৬.৩৯ শতাংশ বিত্তীয় অগ্ৰগতি লাভ কৰা হৈছে। ইতিমধ্যে প্ৰায় ₹১১,০০৭.৬২ লাখ ব্যয় কৰা হৈছে। কামসমূহ নিৰ্ধাৰিত সময়সূচী অনুসৰি অগ্ৰসৰ হৈ আছে আৰু ছেপ্টেম্বৰ, ২০২৬ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

অৱশিষ্ট কামসমূহ সম্পূৰ্ণ কৰাৰ উদ্দেশ্যে ₹৩,০৪,৩৬,৬৯৩.০০ টকাৰ ধনৰ চাহিদা ইতিমধ্যে দাখিল কৰা হৈছে।

তৃতীয় পৰ্যায় (Phase-III)

তৃতীয় পৰ্যায়ৰ কামৰ বাবে **১৬ আগষ্ট, ২০২৪** তাৰিখে জাৰি কৰা **প্ৰশাসনিক অনুমোদন নং–২১১৫** অনুসৰি প্ৰথমে **₹৫,৩৩৫.১৫ লাখ** টকাৰ প্ৰশাসনিক অনুমোদন প্ৰদান কৰা হয়, যি পিছত সংশোধন কৰি **₹৫,৮৩১.১৮ লাখলৈ** বৃদ্ধি কৰা হয়। এই পৰ্যায়ৰ কাম **প্ৰায় ₹৫,০১০.৪২ লাখ** টকাৰ নিবিদা মূল্যত আৱণ্টন কৰা হৈছে।

বৰ্তমানলৈকে এই পৰ্যায়ৰ কামত **প্ৰায় ৯৫ শতাংশ ভৌতিক অগ্ৰগতি** আৰু ৮৬.৬১ **শতাংশ বিত্তীয় অগ্ৰগতি** সাধিত হৈছে। এই পৰ্যন্ত **₹৪,৩৩৯.৩৩ লাখ** ব্যয় কৰা হৈছে। অনুমোদিত সময়সূচী অনুসৰি কামসমূহ অগ্ৰসৰ হৈ আছে আৰু **ছেপ্টেম্বৰ, ২০২৬**ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

অৱশিষ্ট কামসমূহ সময়মতে সম্পূৰ্ণ কৰাৰ উদ্দেশ্যে ₹৪,১৪,৫৫,৮৪৩.০০ টকাৰ ধনৰ চাহিদা সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰা হৈছে।

**উল্লেখযোগ্য যে**, মিউজিকেল ফাউণ্টেইন, স্প্ৰিংক্লাৰ ব্যৱস্থা, পথ আলোকসজ্জা (Street Lighting) আদি জনসাধাৰণৰ সুবিধা আৰু সৌন্দৰ্যবৰ্ধনমূলক আন্তঃগাঁথনিৰ কামসমূহ মূলতঃ **চতুৰ্থ পৰ্যায় (Phase-IV)**-ৰ অন্তৰ্গত আছিল। কিন্তু বটদ্ৰৱা থান পৰিদৰ্শনৰ সময়ত **অসমৰ মাননীয় মুখ্যমন্ত্ৰীয়ে** দিয়া মৌখিক নিৰ্দেশনা অনুসৰি এই কামসমূহ আগতীয়াকৈ গ্ৰহণ কৰা হৈছে আৰু পৰৱৰ্তী সময়ত **চতুৰ্থ পৰ্যায়ৰ সংশোধিত প্ৰাক্কলনত** অন্তৰ্ভুক্ত কৰা হ'ব।

সামগ্ৰিক অগ্ৰগতি

সামগ্ৰিকভাৱে বটদ্ৰৱা থান উন্নয়ন প্ৰকল্পৰ কামসমূহ সন্তোষজনকভাৱে আগবাঢ়িছে। প্ৰথম পৰ্যায়ৰ কাম সম্পূৰ্ণ হৈছে আৰু দ্বিতীয় আৰু চতুৰ্থ পৰ্যায়ৰ কামসমূহ নিৰ্ধাৰিত সময়সূচী অনুসৰি শেষ পৰ্যায়ত উপনীত হৈছে। সময়মতে প্ৰয়োজনীয় ধন মুকলি হ'লে ২০২৬ চনৰ ছেপ্টেম্বৰ মাহৰ ভিতৰত সকলো কাম সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে।

প্ৰকল্পটি সম্পূৰ্ণ হ'লে বটদ্ৰৱা থানৰ ধৰ্মীয়, ঐতিহাসিক আৰু সাংস্কৃতিক গুৰুত্ব অধিক সুদৃঢ় হোৱাৰ লগতে দেশ-বিদেশৰ পৰ্যটক আৰু ভক্তসকলৰ বাবে উন্নত আন্তঃগাঁথনি, পৰ্যটন সুবিধা আৰু দৰ্শনীয় পৰিৱেশ সৃষ্টি হ'ব। ইয়াৰ ফলত অসমৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ, পৰ্যটন খণ্ডৰ বিকাশ আৰু স্থানীয় আৰ্থ-সামাজিক উন্নয়নত বিশেষ অৰিহণা যোগাব।

ঐতিহাসিক সত্ৰ নগৰী বৰপেটাত সত্ৰীয়া সংস্কৃতি, বৈষ্ণৱ-আধুনিক সাহিত্য, সংগীত, সত্ৰীয়া নৃত্য, ভাওনা আৰু মহাপুৰুষীয়া বৈষ্ণৱ দৰ্শনৰ সংৰক্ষণ, অধ্যয়ন আৰু গৱেষণাৰ বাবে এক বিশেষ গৱেষণা আৰু অধ্যয়ন কেন্দ্ৰ স্থাপনৰ ক্ষেত্ৰত অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ সৈতে আলোচনা মৰ্মে আগনন্তুক দিনসমূহত বিষয়টো বিবেচনাধীন কৰিব।

*উত্তৰ ইতিমধ্যে অনলাইন যোগে প্ৰেৰণ কৰা হৈছে*

XXXXXOXXXXX